# 2018

## HISTORY

( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions in *one* sentence each : 1×7=7

তলত দিয়া প্ৰশ্নবোৰৰ প্ৰতিটোৰ উত্তৰ এটা বাক্যত দিয়া :

*(a)* What is 'Lakhiraj' land?

'লাখেৰাজ' ভূমি কি?

*(b)* Name the British Commissioner who introduced steamers in Assam.

অসমত কোনজন বৃটিছ কমিছনাৰে বাষ্পচালিত জাহাজৰ প্ৰচলন কৰিছিল?

*(c)* Who led the Jayantia Revolt of 1861?

১৮৬১ চনৰ জয়ন্তীয়া বিদ্ৰোহৰ নেতৃত্ব কোনে দিছিল?

*(d)* In which year was the 'Assam Oil Company' formed?

কোন চনত 'অসম অইল কোম্পানী' গঠন হৈছিল?

(e) Name the first editor of *Jonaki.*
'জোনাকী'ৰ প্ৰথম সম্পাদকৰ নাম লিখা।

(f) Who was the first President of Asom Chattra Sanmilan (Assam Students Conference), 1916?
অসম ছাত্ৰ সন্মিলন, ১৯১৬ৰ প্ৰথম সভাপতি কোন আছিল?

(g) Who formed the Ministry in April 1937 in Assam?
১৯৩৭ চনৰ এপ্ৰিল মাহত অসমত মন্ত্ৰীসভা কোনে গঠন কৰিছিল?

**2.** Answer the following questions in brief : 2×4=8
তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ লিখা :

(a) Mention two causes of the Peasant Uprisings in Assam in the later half of the 19th century.
ঊনবিংশ শতিকাৰ শেষৰ ফালে সংঘটিত হোৱা অসমৰ কৃষক বিদ্ৰোহসমূহৰ দুটা কাৰণ উল্লেখ কৰা।

(b) When was first coal discovered in Assam and by whom?
অসমত কয়লাৰ অৱস্থিতি কেতিয়া আৰু কোনে প্ৰথম আৱিষ্কাৰ কৰিছিল?

(c) When and under whose leadership was Jorhat Sarvajanik Sabha constituted?
কেতিয়া আৰু কাৰ নেতৃত্বত যোৰহাট সাৰ্বজনিক সভা গঠিত হৈছিল?

(*d*) Name the first Medical School in Assam. When was it established?

অসমৰ প্ৰথম মেডিকেল স্কুলখনৰ নাম লিখা। এইখন কেতিয়া প্ৰতিষ্ঠা হৈছিল?

**3.** Write short notes on any *three* of the following : 5×3=15

তলত দিয়া যি কোনো তিনিটাৰ ওপৰত চমু টোকা লিখা :

(*a*) Annexation of Upper Assam

উজনি অসমৰ চামিলকৰণ

(*b*) Revolt of 1857 and its repercussion in Assam

১৮৫৭ চনৰ বিদ্ৰোহ আৰু অসমত ইয়াৰ প্ৰভাৱ

(*c*) Tikendrajit

টিকেন্দ্ৰজিৎ

(*d*) Assam Association

অসম এছ'ছিয়েছন

(*e*) Cunningham Circular

কানিংহাম চাৰ্কুলাৰ

**4.** Answer the following questions (any *three*) : 10×3=30

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) :

(*a*) Analyze the revenue reforms in Assam carried out by David Scott during the initial period of British administration.

বৃটিছ প্ৰশাসনৰ আৰম্ভণীৰ কালছোৱাত ডেভিদ স্কটৰ অধীনত যিসমূহ ভূমি ৰাজহ সংস্কাৰ সাধন হৈছিল তাৰ ওপৰত এটি বিশ্লেষণ কৰা।

(b) Discuss the growth and development of Tea Industries in Assam under the British.

বৃটিছৰ অধীনত অসমৰ চাহ উদ্যোগৰ বিকাশ আৰু উন্নয়নৰ বিষয়ে আলোচনা কৰা।

(c) Critically analyze the role of the Press in the growth of political awareness in Assam in the late 19th century.

ঊনবিংশ শতিকাৰ শেষৰ ফালে অসমৰ জনগণৰ মাজত ৰাজনৈতিক সচেতনতা বৃদ্ধি কৰাত বাতৰিকাকত আলোচনীয়ে কি ভূমিকা পালন কৰিছিল, তাৰ সমালোচনাত্মক বিশ্লেষণ কৰা।

(d) What were the contents of the grouping plan? How did the people of Assam react to this plan?

গ্ৰুপিং প্লেনৰ বিষয়বস্তু কি আছিল? অসমৰ জনগণে এই বিষয়ত কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল?

(e) Evaluate the role of Assamese women in the National Movement of India with reference to the period 1920–1947.

ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া নাৰীৰ ভূমিকাৰ এক মূল্যায়ন কৰা, বিশেষভাৱে ১৯২০–১৯৪৭ৰ সময়ছোৱাৰ ভিতৰত।

★★★